# অসম বিধান সভা

## লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা

## সোমবাৰ, ৩ মাৰ্চ, ২০২৫

গৃহ (মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰীৰূপেশ গোৱালাক সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা তথা অন্যান্য বিষয়সমূহৰ বাহিৰে) কৰ্মচাৰী, লোক নিৰ্মাণ গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথসমূহ (মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰীমতী নন্দিতা গাৰলোচাক সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ সাধাৰণ প্ৰশাসনৰ অন্তৰ্গত ভৱনসমূহ আৰু অন্যান্য বিষয় সমূহৰ বাহিৰে) লোক নিৰ্মাণ পথসমূহ (মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰীকৃষ্ণেন্দু পালক সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনা আৰু অন্যান্য বিষয়সমূহৰ বাহিৰে) চিকিৎসা শিক্ষা আৰু গৱেষণা (মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰীপ্ৰশান্ত ফুকনক সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত যোজনা আৰু অন্যান্য বিষয়সমূহৰ বাহিৰে), প্ৰশাসনীয় সংস্কাৰ, প্ৰশিক্ষণ, ৰাজহুৱা অভিযোগ আৰু পেঞ্চন, মুখ্যমন্ত্ৰীৰ সচিবালয়, নিৰ্বাচন, বিধায়ন, ৰাজনৈতিক, ৰূপান্তৰ আৰু উন্নয়ণ আৰু অন্য কোনো মন্ত্ৰীৰ অধীনত ন্যস্ত নকৰা বিভাগ, ক্ৰীড়া আৰু যুৱ কল্যাণ, সংখ্যালঘু কল্যাণ আৰু উন্নয়ণ, লোক নিৰ্মাণ গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ সমূহ (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ সাধাৰণ প্ৰশাসনৰ অন্তৰ্গত ভৱনসমূহ আৰু অন্যান্য বিষয়সমূহ) শক্তি, দক্ষতা নিয়োগ আৰু উদ্যমিতা, চিকিৎসা শিক্ষা আৰু গৱেষণা (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত যোজনা আৰু অন্যান্য বিষয়সমূহ) পশুপালন আৰু পশু চিকিৎসা, মীন, লোক নিৰ্মাণ পথসমূহ (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনা আৰু অন্যান্য বিষয়সমূহ) শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী উন্নয়ণ, গৃহ (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ কাৰাগাৰ, গৃহৰক্ষী আৰু সামৰিক প্ৰতিৰক্ষা তথা অন্যান্য বিষয়সমূহ)।

**প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৫০**

---

*বিষয়ঃ* বিদেশী চিনাক্তকৰণ

শ্ৰীআব্দুল বাতিন খন্দকাৰ ঃ

১০১। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চুক্তিৰ আধাৰত কিমানজন বিদেশী চিনাক্ত হৈছে? থানা আৰু জিলাভিত্তিক তালিকা দিব।

(খ) বিদেশী ন্যায়াধীকৰণত সৰ্বমুঠ কিমানটা ডি-ভোটাৰ গোচৰ প্ৰেৰণ কৰা হৈছে? তাৰে কিমানটা গোচৰ নিষ্পত্তি হৈছে? নিষ্পত্তি হোৱা গোচৰত কিমানজন বিদেশী চিনাক্ত হৈছে?

(গ) সীমান্ত আৰক্ষীৰ প্ৰত্যক্ষ তদন্তমূলে (নিৰ্বাচন আয়োগৰ দ্বাৰা ডি-ভোটাৰ চিহ্নিত নকৰা) কিমানটা গোচৰ বিদেশী ন্যায়াধীকৰণলৈ প্ৰেৰণ

কৰা হৈছে? তাৰে কিমানটা গোচৰ নিষ্পত্তি হৈছে আৰু কিমানজন বিদেশী চিনাক্ত হৈছে?

(ঘ) অসম চুক্তিৰ আধাৰত চিনাক্তকৃত কিমানজন বিদেশীক বহিষ্কাৰ কৰা হৈছে আৰু কিমানজন ডিটেনশ্যন চেণ্টাৰত আছে? ডিটেনশ্যন চেণ্টাৰত আৱদ্ধ হৈ থকা সকলৰ তালিকা আৱদ্ধ হৈ থকা সময়সহ জনাব।

*বিষয়ঃ* **ঘোষিত বিদেশীৰ পৰিসংখ্যা**

মোঃ নুৰুল হুদা ঃ

১০২। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ ডিটেনচন কেম্পত বৰ্তমানলৈ কিমানজন লোকক আবদ্ধ কৰি ৰখা হৈছে আৰু ইয়াৰে কিমানজনক নিজ দেশলৈ ঘূৰাই পঠোৱা হৈছে? বাকীসকল ক'ত কেনেকৈ আছে? (উত্তৰ বিস্তৃত তথ্যসহ দিব)।

(খ) ডিটেনচন কেম্পৰ পৰা চৰ্তসাপেক্ষে জামিনত থকা লোকসকলে স্থানীয় আৰক্ষী থানাত সাপ্তাহিক হাজিৰা দিয়াৰ নামত কি ধৰণৰ সমস্যাৰ সন্মুখীন হৈছে? ইয়াৰ সমাধানৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে? (উত্তৰ বিস্তৃত তথ্যসহ দিব)।

(গ) ডিটেনচন কেম্পত থকা লোক সকলৰ বাবে নিম্নমানৰ খাদ্য যোগান দিয়াটো সঁচানে? যদি নহয়, তেন্তে কি কি খাদ্য যোগান দিয়া হয় তাৰ তালিকা সদনত দাখিল কৰিব।

*বিষয়ঃ* **পথ পকীকৰণ**

শ্ৰীদিগন্ত বৰ্মন ঃ

১০৩। মাননীয় লোক নিৰ্মাণ (পথ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

নলবাৰী পথ সংমণ্ডলৰ অধীনস্থ ৩৮ নং বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত নিম্ন লিখিত গুৰুত্বপূৰ্ণ পথ কেইটা পকীকৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

(১) কমাৰকুছি-পাইকাৰকুছি ৰাস্তাৰ দলৈ চুবুৰী পকী দলঙৰ পৰা দীপক তালুকদাৰৰ ঘৰ হৈ দলৈ চুবুৰী শিৱ মন্দিৰলৈ যোৱা পথ।

(২) বৰ্ণিবাৰী নুনকুছিবৰী পথৰ পৰা নুনকুছিবৰী ৰাজহুৱা নামঘৰলৈ যোৱা পথ।

(৩) বনমাজা-পাইকান বনমাজা পকী পথৰ পৰা বৰ্ণিবাৰী-ঠুটিকাটা সংযোগী পথ।

(৪) নলবাৰী-কমাৰকুছি পথৰ কচেৰকুছি চ'কৰ পৰা বৰমুৰীকোনা হৈ নামদোঙালৈ যোৱা পথ।

(৫) GDB (বিদ্যানুৰাগী বিশ্বদেৱ শৰ্মা) পথৰ সৰুধুৰ ধুছিৰ পৰা নুৰনৰী সংঘ হৈ বিলপাৰ নাৰিকুছি পথ।

*Sub.*: **Regarding fresh registration under the Assam Pharmacy Council.**

Shri ABDUR RAHIM AHMED :

104. Will the Minister of Medical Education and Research Department be pleased to state :

(a) New Pharmacy students have been harassed while obtaining their fresh registration under the Assam Pharmacy Council. This situation has arisen due to the absence of a fully functioning of Assam Pharmacy Council, which has been non-operational for almost two years.

Will the department inform when Assam Pharmacy Council be reconstituted and made operational ?

(b) Pharmacy students have been unable to pursue their internship for

an extended period with internship currently being allowed only Medical Colleges.

When the Standard Operating Procedure (SOP) for the internship of Pharmacy students be released to address this issue ?

(c) Will the Government conduct an enquiry into all registrations suspected to have been obtained under Assam Pharmacy Council through the submission of fare educational certificates and a fraudulent verification process.

*বিষয় ঃ* **Play Ground**

শ্ৰীজাকির হুসেন লস্কর ঃ

১০৫। মাননীয় ক্রীড়া এবং যুবকল্যাণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) প্রতিটি সমষ্টিতে খেলাধুলার সুযোগ সুবিধা বৃদ্ধির লক্ষ্যে একটি Play Ground প্রদান করার জন্য সরকার প্রস্তাব গ্রহণ করেছিল, সেই Play Ground প্রদান করার কি কোন পরিকল্পনা সরকারের আছে?

(খ) যদি থাকে তাহলে সেই প্রস্তাৱগুলোর বর্তমান অৱস্থা কি পর্যায়ে আছে এবং কবে নাগাদ তাহা বাস্তবায়ন করা হবে? বিস্তারিত তথ্য সদনে অবগত করার জন্য অনুরোধ করছি।

*বিষয় ঃ* **দলং নিৰ্মাণ সম্পৰ্কে**

শ্ৰী জাকিৰ হুছেইন সিকদাৰ ঃ

১০৬। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পূৰ্বৰ সৰুক্ষেত্ৰী আৰু বৰ্তমানৰ পাকা বেতবাৰী সমষ্টিৰ কোন কোন ঠাইত কাঠৰ দলং আৰু বাঁহৰ সাঁকো আছে? তালিকা দিব।

(খ) এই কাঠৰ দলং আৰু বাঁহৰ সাঁকোবোৰ কেতিয়া পকীকৰণ কৰাৰ ব্যৱস্থা কৰিব? বিতং তথ্য দিব।

(গ) বৰ্তমান পাকা বেতবাৰী সমষ্টিৰ বেকী নদীৰ পূব আৰু পশ্চিমফালে থকা হাজিপাৰা গুলেইজা সংযোগী ঠাইত এখন পকী দলং নিৰ্মাণ হ'লে জনসাধাৰণৰ যাতায়তৰ ক্ষেত্ৰত প্ৰায় ৫০ কিলোমিটাৰ দুৰত্ব হ্ৰাস পাব? এই বিষয়ে চৰকাৰ অৱগত নে? যদি অৱগত, উক্ত স্থানত পকী দলং কেতিয়া নিৰ্মাণ কৰিব সেই বিষয়ে জনাব।

*বিষয় ঃ* **পুলিচৰ জিম্মাত আৰু জিম্মাৰ পূৰ্বে পুলিচৰ হাতত অভিযুক্তৰ মৃত্যু।**

শ্ৰীঅখিল গগৈ ঃ

১০৭। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১০ মে', ২০২১ চনৰ পৰা এই প্ৰশ্নৰ উত্তৰ দিয়াৰ তাৰিখলৈ অসমত কিমানজন অভিযুক্তই পুলিচৰ জিম্মাত মৃত্যুবৰণ কৰিছে অথবা গুলীবিদ্ধ হৈছে অথবা আঘাতপ্ৰাপ্ত হৈছে? এই সময়খিনিৰ ভিতৰত জিম্মাত লোৱাৰ পূৰ্বেই পুলিচে কিমান অভিযুক্তক গুলীয়াই হত্যা কৰিছে/আঘাতপ্ৰাপ্ত কৰিছে? এই দুই ধৰণৰ ঘটনাৰ প্ৰতিটো ঘটনাৰ ওপৰত এজাহাৰ দাখিল কৰা আৰু দণ্ডাধীশৰ তদন্ত (Magistrate Enquiry) কৰা হৈছেনে? অভিযুক্তৰ নাম, গোচৰৰ পঞ্জীয়ন নম্বৰ, গোচৰৰ প্ৰকাৰ আৰু তদন্ত কৰা দণ্ডাধীশৰ নাম উল্লেখ কৰিব।

(খ) এনে কিমানটা ঘটনাৰ তদন্ত ঘোষণা কৰা হ'ল, কিমানটাৰ কৰা নহ'ল? তদন্তৰ প্ৰতিবেদন সমূহ সদনত দাখিল কৰিব।

(গ) যোৱা ১৬ জুলাই, ২০২৪ তাৰিখে কাছাৰৰ আৰক্ষী অধীক্ষকে সংবাদ মেলযোগে ঘোষণা কৰা মাৰ উগ্ৰপন্থী সংগঠনৰ লাললুইং

মাৰ, লাল বিকুল মাৰ আৰু জোচা মাৰৰ মৃত্যু কি পৰিস্থিতিত হ'বলৈ পালে সবিশেষ সদনক অৱগত কৰিব। এই ঘটনাৰ উচ্চ পৰ্য্যায়ৰ কোনো তদন্ত হৈছেনে? তদন্তৰ প্ৰতিবেদন সদনত দাখিল কৰিব।

*বিষয় ঃ* বিজুলী যোগান সম্পৰ্কে

শ্ৰী নজৰুল হক ঃ

১০৮। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২৩ নং ধুবুৰী বিধান সভা সমষ্টিৰ অন্তৰ্গত ভোগদহৰ গাঁও পঞ্চায়তৰ, ভোগদহৰ, কলাপাকনী ২য় খণ্ড, কলাপাকনী ১ম খণ্ড আমিনেৰ চৰ, কাইম জামানী ২য় খণ্ড, বলদিয়াৰ আলগা NC আদি গাঁওসমূহত আজিলৈকে বিজুলী সংযোগ নোহোৱাৰ কাৰণ কি জনাব।

(খ) উক্ত গাঁওসমূহত চৰকাৰে বিদ্যুৎ যোগানৰ কি ব্যৱস্থা গ্ৰহণ কৰিছে আৰু কিমান দিনৰ ভিতৰত বিদ্যুৎ যোগান ধৰিব?

*বিষয় ঃ* আচুতীয়া পুঁজি আৰু অসম দৰ্শন আঁচনি

শ্ৰী হাফিজ বচিৰ আহমেদ ঃ

১০৯। মাননীয় ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিভাগে ২০১৮ চনৰ পৰা ২০২৪ বিত্তীয় বৰ্ষত আছুতীয়া পুঁজি (Un-tide Fund) আৰু 'অসম দৰ্শন' আঁচনিৰ কি কি আঁচনি ২৬ নং বিলাসীপাৰা পশ্চিম বিধান সভা সমষ্টিত গ্ৰহণ কৰিছে? বৰ্ষ অনুযায়ী আঁচনিৰ নাম, ধাৰ্য্য কৰা টকাৰ পৰিমাণ আৰু নিৰ্মাণ সমিতিৰ সদস্যসকলৰ তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(খ) উক্ত আঁচনিসমূহৰ ৰূপায়ণ সম্পূৰ্ণ হৈছে নে? যদি হোৱা নাই, অসম্পূৰ্ণ আঁচনিসমূহ সম্পূৰ্ণ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) ধুবুৰী জিলাৰ আয়ুক্তই সম্পূৰ্ণ হোৱা কাম সমূহৰ বাবে অসম চৰকাৰক Utilization Certificate দাখিল কৰিছেনে? (UC দাখিল কৰা আৰু UC দাখিল নকৰা আঁচনিৰ তথ্য সদনত দাখিল কৰিব)।

*বিষয়ঃ* ৰাজ্যখনত চুৰি, ডকাইটি, হত্যা, ধৰ্ষণ আদি ঘটনা সম্পৰ্কত।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ

১১০। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২০-২১, ২০২১-২২, ২০২২-২৩, ২০২৩-২৪ বৰ্ষলৈ আৰু ২০২৪ বৰ্ষৰ পৰা ২০২৫ চনৰ এতিয়ালৈকে ৰাজ্যখনত হত্যা, ধৰ্ষণ, চুৰি-ডকাইতি, অপহৰণ, লুণ্ঠন আৰু অন্ধবিশ্বাসৰ বলিৰ কিমান ঘটনা সংঘটিত হ'ল, জনাব নে?

(খ) বিশেষকৈ গুৱাহাটী মহানগৰীত কিমানটা হত্যাকাণ্ডৰ ঘটনা সংঘটিত হ'ল, জনাব নে?

(গ) গুৱাহাটী মহানগৰীত সংঘটিত হোৱা ধৰ্ষণৰ ঘটনাসমূহ ৰোধ কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

*Sub.*: **Hamren Nilbagan Howrahat Asom Mala 1.0 road.**

Shri SIRAJUDDIN AJMAL :

111. Will the Minister of Public Works Roads Department be pleased to state :

(a) Please furnish the complete details including construct information of the contractors to whom the construction work of Hamren Hojai Nilbagan Howrahat Asom Mala 1.0 road has been entrusted.

(b) What is the progress of construction work of this road so far and in how many days will this road be completed? Please provide details.

(c) Is the Government aware that despite long-standing public demands, no drainage system has been approved in the Debasthan Bazaar portion of the Assam Mala 1.0 road construction?

(d) If so, will be Government take early steps to approve adequate drainage system in that area?

Please provide details.

*Sub.*: **'D' Voters in Assam**

Shri ABDUR RASHID MANDAL :

112. Will the Minister of Home Department be pleased to state :

(a) How many 'D' voters are there in Assam? Please furnish the district wise number of 'D' voters.

(b) Please furnish in details year-wise and district wise the no. of persons identified as 'D' voters, number of persons trialed by the Foreigners Tribunal, number of persons declared Foreigners by the Foreigners Tribunal, numbers of Foreigners sent to Detention Centres, numbers of Foreigners deported, numbers of order passed by the Foreigners Tribunal declaring someone as Foreigner were revoked by the Hon'ble Gauhati High Count or the Hon'ble Supreme Court of India during the period of 2017/18 till date.

*বিষয় ঃ* **প্ৰধান মন্ত্ৰী জন বিকাশ কাৰ্য্যক্ৰম (PMJVK)।**

শ্ৰীসুজাম উদ্দিন লস্কর ঃ

১১৩। মাননীয় সংখ্যালঘু কল্যাণ এবং উন্নয়ন বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) PMJVK প্ৰকল্পের আওতায় বিগত ২০১৬-১৭, ২০১৭-১৮, ২০১৮-১৯ অৰ্থ বছরে প্ৰায় পঞ্চাশ শতাংশ (৫০%) অৰ্থ বরাদ্দের ফলে বিভিন্ন উন্নয়নমূলক প্ৰকল্প যেমন Market Shed, Boys Hostel, AWC Building, Additional Class Room ইত্যাদির বেশিরভাগ বৰ্তমানে একশ শতাংশ (১০০%) কাজ সম্পূৰ্ণ করার পরও Supplier এর অৰ্থ বরাদ্দ না হওয়া বিষয়ে সরকার অবগত আছে কি?

(খ) যদি থাকে, তবে বাকি থাকা অৰ্থ ৫০% শতাংশ তহবিল বরাদ্দের পরিকল্পনা সরকারের আছে কি?

(গ) যদি থাকে, তবে কবে নাগাদ তাহা বরাদ্দ করা হবে?

*Sub.* : **RCC Bridge No. 1/1 Over River Barak.**

Shri MIHIR KANTI SHOME :

114. Will the Minister of PWD be pleased to state :

A project concept paper was forwarded to Comm., PWD, by Hon'ble Chief Minister regarding "Const. of RCC Bridge No. 1/1 Over River Barak at Gandhighat near Rice Mill connecting Madhuramukh with Silchar town including approach to protection works." under CRIF for the year 2024-25.

(a) What is the present status of the proposal ?

(b) Is there any chance to get sanction in current financial year ?

*বিষয় ঃ* **Development Council**

শ্ৰীযাদৱ স্বৰ্গীয়াৰী ঃ

১১৫। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান কিমানখন Development Council আছে? তথ্য সহকাৰে সবিশেষ জনাব।

(খ) যোৱা ২০১৬ চনৰ পৰা ২০২৪-২৫ বিত্তীয় বৰ্ষৰ ভিতৰত প্ৰত্যেক Development Councilত পুঁজি আবণ্টনৰ সবিশেষ জনাব।

(গ) Garo Development Council ৰ সবিশেষ জনাব।

*বিষয় ঃ* **কামৰ অগ্ৰগতিৰ খতিয়ান**

শ্ৰীকৰিম উদ্দিন বৰভূঞাঁ ঃ

১১৬। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শিলচৰ Integrated D C অফিচৰ নিৰ্মাণৰ কাম কিমান শতাংশ হৈছে আৰু কিমান বাকী আছে? নিৰ্মাণৰ কাম কেতিয়ালৈকে সম্পূৰ্ণ হ'ব? (কামৰ অগ্ৰগতিৰ খতিয়ান সদনৰ মজিয়াত দাখিল কৰিব)।

(খ) D C অফিচৰ নিচেই কাষতে নতুন 'চাৰ্কিট হাউচৰ' কাম কেতিয়া আৰম্ভ কৰিব আৰু কেতিয়ালৈকে সম্পূৰ্ণ হ'ব?

*বিষয় ঃ* **দুগ্ধ প্ৰক্ৰিয়ণ প্ৰকল্প সম্পৰ্কে**

শ্ৰীৰূপক শৰ্মা ঃ

১১৭। মাননীয় পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও চহৰৰ পাৰ্শ্বৱৰ্তী বেবেজীয়াত থকা দুগ্ধ প্ৰক্ৰিয়ণ প্ৰকল্পটো বিকল অৱস্থাত থকাটো চৰকাৰ জ্ঞাত নে?

(খ) যদি জ্ঞাত, এই প্ৰকল্পটো পুনৰ কাৰ্য্যক্ষম কৰিবলৈ চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে?

(গ) যদি কৰিছে, কেতিয়াৰ পৰা এই প্ৰকল্পটো কাৰ্য্যক্ষম হ'ব? (বিতংভাবে জনাব)।

*Sub.* : **Fixation of Minimum wage**

Shri MANORANJAN TALUKDAR :

118. Will the Minister of Labour Welfare Department be pleased to state:

(a) Please provide the date on which the minimum wages were last fixed or revised under Section 3(6) of the minimum wage Act, 1948. Kindly Provide a copy of the official notification or order through which the last mimimum wage was fixed or revised.

(b) Factors considered for fixation :

(i) Provide information on the criteria and factors considered while fixing the minimum wages during the last revision, such as cost of living index, wage structure etc.

(c) Please provide a list of all meetings held by the minimum wage Advisory Board in the last nine years from 2015 to 2024. The information should include.

(i) Dates of meetings

(ii) Location where the meetings were held.

*Sub.* : **Electrification**

Shri JIRON BASUMATARY:

119. Will the Minister of Power Department be pleased to state:

(a) How many villages in 1 no. Gossaigaon LAC have been completed the electrification process till date?

b) And how many villages remain from electrification? Please provide details.

*বিষয় ঃ* ব্রিজ এর Approach

শ্রীনিজাম উদ্দিন চৌধুরী ঃ

১২০। মাননীয় পূর্ত বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) আলগাপুর বিধান সভা সমষ্টির অধীনে উত্তর নারাইনপুর এলেকায় কাটাখাল নদীর উপরে যে ব্রীজ তৈরী করা হয়েছে ঐব্রীজের ব্যাপারে সরকার অবগত আছে কি?

(খ) ঐ ব্রীজের Approach না থাকার কারণে যাতায়তের অসুবিধার সন্মুখীন হচ্ছে ঐ এলাকাৰ জনগণ উক্ত বিষয়ের ব্যাপারে সদনে বিস্তারিত বিবরণ দেওয়ার অনুরোধ করছি।

*বিষয় ঃ* **সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগ Scholarship সম্পর্কে।**

শ্রীমজিবুৰ ৰহমান ঃ

১২১। মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২২-২৩ আৰু ২০২৩-২৪ বৰ্ষত অসম চৰকাৰে সংখ্যালঘু কল্যাণ আৰু উন্নয়নৰ নামত বাজেটত মুঠ কিমান টকা ধাৰ্য্য কৰিছিল? তাৰে কোন কোন শিতানত কিমান টকা খৰছ কৰিলে? সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(খ) সংখ্যালঘু কল্যাণ আৰু উন্নয়নৰ বাবে অসম চৰকাৰে সংখ্যালঘু ছাত্ৰ-ছাত্ৰীৰ উন্নত পঢ়া-শুনাৰ বাবে কি কি ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে? সংখ্যালঘু ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কিবা বিশেষ বৃত্তিৰ ব্যৱস্থা কৰিছে নেকি? ভাৰত চৰকাৰে প্ৰদান কৰা Pre Matric Minorities Scholarship ইতিমধ্যেই বন্ধ কৰিছে? ইয়াৰ কাৰণ কি? সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(গ) সংখ্যালঘু গুণী বা উৎকৃষ্ট (Meritorius) আৰু দুখীয়া দ্বাদশ শ্ৰেণী উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ উন্নতমানৰ ক'চিং দিয়াৰ কিবা ব্যৱস্থা অসম চৰকাৰে কৰিছে নেকি? যদি কৰা নাই, ভৱিষ্যতলৈ কিবা পৰিকল্পনা আছে নেকি? সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

*বিষয় ঃ* **বাগিচাৰ ভৱিষ্যনিধি ধনৰ সন্দৰ্ভত**

শ্ৰীদেৱব্ৰত শইকীয়া ঃ

১২২। মাননীয় চাহ জনজাতি আৰু আদিবাসী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ অধীনত অসম চাহ নিগমৰ চাহ বাগিচা আৰু ব্যক্তিগত বাগিচাসমূহৰ শ্ৰমিকৰ ভৱিষ্যনিধিৰ ধন কিমান অনাদায় হৈ আছে?

(খ) উক্ত অনাদায় হৈ থকা ধন কেতিয়া মুকলি কৰি দিয়া হ'ব?

(গ) বৰ্তমানলৈকে কোন কেইখন চাহ বাগিচাৰ কিমান শ্ৰমিকে এই শিতানৰ ধন

পাবলগীয়া আছে? (বাগিচা আৰু শ্ৰমিকৰ নামৰ সৈতে তালিকা দাখিল কৰিব)

(ঘ) উক্ত ধন আজি পৰ্য্যন্ত কিয় আদায় দিব পৰা নাই?

(ঙ) বৰ্তমান অসমত কিমান বাগিচা বন্ধ হৈ আছে? বন্ধ হৈ থকা বাগিচা খোলাৰ বাবে চৰকাৰে লোৱা পদক্ষেপ সমূহৰ বিতং তথ্য দিব।

(চ) Trade Union Act 1926 ৰ বিভিন্ন আইন, অধিনিয়ম, অসম চৰকাৰে উলংঘা কৰিছে নেকি?

(ছ) যোৱা পাঁচ বছৰত চাহ বাগিচাত প্ৰবৰ্তিত বিভিন্ন আইনসমূহ উলংঘা কৰা বাগিচা আৰু কৰ্তৃপক্ষৰ ওপৰত লোৱা আইনী ব্যৱস্থাৰ বিতং তথ্য দিব।

*বিষয় ঃ* **Railway Crossing Over Bridge.**

শ্ৰীবিদ্যা সিং ইংলেং ঃ

১২৩। মাননীয় লোক নিৰ্মাণ (পথ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিফু বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰলাংফাৰ অঞ্চলৰ ৰাইজে বহুদিনৰ পৰা Railway Over Bridge এখন নিৰ্মাণৰ বাবে আবেদন জনাই আহিছে। এইক্ষেত্ৰত চৰকাৰৰ Railway Over Bridge নিৰ্মাণৰ বাবে কিবা পৰিকল্পনা আছেনে জনাব।?

(খ) যদি Railway Over Bridge এখন নিৰ্মাণৰ কিবা পৰিকল্পনা আছে, তেনেহ'লে কি পৰ্য্যায়ত আছে?

(গ) এই Railway Over Bridge খনৰ নিৰ্মাণৰ বাবে আগন্তুক বাজেটত যাৱতীয় ধন ধাৰ্য্য কৰাৰ ব্যৱস্থা কৰিব পৰা যায় নে?

*বিষয় ঃ* PMGSY আৰু APART আঁচনিৰ সম্পৰ্কে।

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

১২৪। মাননীয় লোক নিৰ্মাণ (পথ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত PMGSY আঁচনিৰ কোনটো Phase ৰ কাম আৰু ক'ত ক'ত চলি আছে? গোৱালপাৰা পূৱ সমষ্টিত এই PMGSY আঁচনিৰ কিমান ৰাস্তা লোৱা হৈছে আৰু ক'ত ক'ত কাম চলি আছে তালিকাসহ তথ্য সহকাৰে জনাব।

(খ) NH-127 (Solmari, SH-7043) ৰ পৰা গোৱালপাৰা চহৰৰ ASTC পইন্টলৈ যোৱা ৰাস্তা 4 Lane যুক্ত ৰাস্তালৈ উন্নীত কৰিব নেকি? যদি কৰিব কেতিয়া কৰিব জনাব।

(গ) গোৱালপাৰা পূব সমষ্টিৰ অন্তৰ্গত Garomari to Chesapani, Khagrabari, Nabinagar Road to Jaipara, Nabinagar Road to Baladmari Pt-II, NH-17 to Kalpani Road, Tiplai to Barpathar, Barpathar to Bardoba via Maspara, Borbori to Kankata Road আৰু Kuhiarbari to Tiplai Borpathar এই SPT Bridge সমূহ কেতিয়া RCC Bridge লৈ উন্নীত কৰিব তথ্য সহকাৰে জনাব।

(ঘ) APART ৰ Scheme ৰ অধীনত লোক নিৰ্মাণ বিভাগে কি কি কাম কৰি আছে? সমষ্টিভিত্তিক তালিকাসহ জনাব।

(ঙ) গোৱালপাৰা পূৱ সমষ্টিত এই আঁচনিৰ অধীনত ক'ত ক'ত কি কি কাম চলি আছে আৰু কোন কোন কামৰ বিপৰীতে কিমান পুঁজি মোকলাই দিয়া হৈছে জনাব। এই Scheme ৰ অধীনত নিৰ্মাণ হোৱা নাভাং Market Shed ত

কিমান টকা মোকলাই দিয়া হৈছে আৰু কিমান বাকী আছে? বাকী থকা টকাখিনি কিমান দিনৰ ভিতৰত মোকলাই দিয়া হ'ব তথ্য সহকাৰে জনাব।

*Sub.* : **Sports**

Smti SUMAN HARIPRIYA :

125. Will the Minister of Sports & Youth Welfare Department be pleased to state :

(a) What steps Department of Sports and Youth Welfare has taken to identify and pick up rural talents in any stream of sports for better training & exposure?

(b) Whether Govt. school & Colleges are equipped with modern sports facilities ? Also do we have sports teacher in our educational institutions?

(c) Whether the department has provision to support financially to our players who wants to go outside of Assam for competitions ?

*বিষয় ঃ* পথ নিৰ্মাণ সন্দৰ্ভত।

শ্ৰীসুৰেন ফুকন ঃ

১২৬। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লোক নিৰ্মাণ বিভাগে বিগত ৩০ বছৰ ধৰি বন্ধ হৈ থকা নাজিৰাটিং দুৱাৰমৰা সংযোগী পথটো মুকলি কৰি তাক যাতায়তৰ উপযোগী কৰি তুলিবলৈ পকীকৰণ কৰা হ'ব বুলি অৱগত কৰিছিল। কিন্তু বৰ্তমানো এই পথটোৰ ক্ষেত্ৰত কোনো আঁচনি গ্ৰহণ কৰা হোৱা নাই। এই বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, এই পথটোৰ মুকলি আৰু পকীকৰণৰ সন্দৰ্ভত বিভাগে নতুন পৰিকল্পনা গ্ৰহণ কৰিছে নেকি? (বিতংভাৱে জনাব)।

*বিষয় ঃ* **আয়ুষ্মান আৰোগ্য মন্দিৰসমূহ মেৰামতি আৰু উন্নয়নৰ বাবে পুঁজিৰ বিষয়ে।**

শ্ৰীভাস্কৰ জ্যোতি বৰুৱা ঃ

১২৭। মাননীয় চিকিৎসা শিক্ষা আৰু গবেষণা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

অসমৰ বহুতো আয়ুষ্মান আৰোগ্য মন্দিৰ মেৰামতিৰ অভাৱত প্ৰায়বোৰ ঘৰৰ অৱস্থা বেয়া হৈ গৈছে। চৰকাৰে এই ঘৰবোৰ মেৰামতি কৰাৰ লগতে ব্যৱস্থাপনাৰ উন্নয়নৰ বাবে পুঁজি ধাৰ্য্য কৰিবনে জনাব।

*বিষয় ঃ* **অভিযন্তাৰ পদোন্নতি আৰু দলং**

শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ

১২৮। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লোক নিৰ্মাণ বিভাগ (PWD)ত ২০২৪ চনৰ পৰা অভিযান্ত্ৰিক বিষয়া, তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদত কিমান নিযুক্তি দিয়া হ'ল? ইয়াৰ ভিতৰত জনজাতিসকলৰ মাজৰ পৰা মুঠ কিমান নিযুক্তি দিয়া হ'ল জনাব।

(খ) এই নিযুক্তি সংৰক্ষণ নীতি অনুসৰি দিয়া হৈছেনে? সদনত জনাব।

(গ) এই চৰকাৰে অসমত কেইখন উৰণীয়া সেতু বনাইছে? জিলা ভিত্তিত তথ্য দিব। ইয়াৰ বাবে কিমান পুঁজি ধাৰ্য্য কৰিছে, সদনত তথ্য দিব।

(ঘ) দিচাংমুখৰ পৰা মাতমৰা ঢকুৱাখনা হৈ মাজুলীক সংযোগ কৰিবলৈ ব্ৰহ্মপুত্ৰৰ ওপৰত দলং কেতিয়া নিৰ্মাণ কৰা হ'ব?

(ঙ) লখিমপুৰ-ঘুনাসুঁতি আৰু ঢকুৱাখনা দলংখন কেতিয়া সম্পূৰ্ণ কৰা হ'ব?

(চ) বিহপুৰীয়া-মাজুলী সংযোগী ধুনাগুৰি দলংখন কেতিয়া সম্পূৰ্ণ কৰা হ'ব? ঢকুৱাখনাৰ বালি দেউৰী-মাজুলী দলং নিৰ্মাণ কৰিব নেকি? যদি কৰে কেতিয়া কৰিব? সদনত জনাব।

(ছ) যোৰহাট-মাজুলী সংযোগী দলঙৰ কাম কিমান শতাংশ সম্পূৰ্ণ হ'ল আৰু ইয়াৰ বাবদ কিমান অৰ্থ ব্যয় হ'ল জনাব। এই দলং নিৰ্মাণ সম্পূৰ্ণ কৰাৰ বাবদ কিমান পুঁজি ধাৰ্য্য কৰা হৈছে জনাব।

*বিষয় ঃ* **অৱসৰ গ্ৰহণ কৰা কৰ্মচাৰী পুনৰ নিয়োগ সম্পৰ্কে।**

শ্ৰীমতী শিৰামণি বৰা ঃ

১২৯। মাননীয় কৰ্মচাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) 'অসামৰিক সেৱা'ৰ অৱসৰী বিষয়াক চৰকাৰে পুনৰ বিভিন্ন পদবীত নিযুক্ত কৰি ৰাখিছে নেকি? যদি ৰাখিছে, কিমানজনক নিযুক্ত কৰি ৰাখিছে?

(খ) অৱসৰৰ পিছত নিযুক্ত কৰি ৰখা অসামৰিক সেৱাৰ বিষয়াসকলৰ নাম, বৰ্তমান নিযুক্ত হৈ থকা পদবীৰ নাম, বিষয়াজনৰ বৰ্তমান বয়স, বৰ্তমান দি থকা পাৰিশ্ৰমিক আৰু অন্যান্য চৰকাৰী সা-সুবিধা, কি বিশেষ অৰ্হতাৰ বাবে অৱসৰৰ পিছতো নিযুক্তি কৰি ৰাখিছে, তথ্য সমূহ সদনত দাখিল কৰিবনে?

(গ) অসম চৰকাৰৰ বিভিন্ন বিভাগত অন্যান্য বিষয়া-কৰ্মচাৰীকো অৱসৰৰ পিছত নিযুক্ত কৰি ৰাখিছে নেকি? যদি ৰাখিছে, তেনে বিষয়া-কৰ্মচাৰীসকলৰ নাম, বৰ্তমান নিযুক্ত হৈ থকা পদবীৰ নাম, বিষয়াজনৰ বৰ্তমান বয়স, বৰ্তমান দি থকা পাৰিশ্ৰমিক আৰু অন্যান্য চৰকাৰী সা-সুবিধা, কি বিশেষ অৰ্হতাৰ বাবে অৱসৰৰ পিছতো নিযুক্তি কৰি ৰাখিছে, সেই সকল অৱসৰী বিষয়া-কৰ্মচাৰীৰ পুনঃনিযুক্তিৰ ক্ষেত্ৰত চৰকাৰৰ আগতীয়া অনুমতি লোৱা হৈছিল নে? তথ্য সমূহ সদনত দাখিল কৰিব।

*sub.* : **Creation of New Police Station at Tulsibil.**

Shri. RABIRAM NARZARY:

130. Will the Minister of Home Deptt. be pleased to state :

(a) Is there any policy at present with the Government of Assam to establish some more new Police Stations through out Assam to control the criminal activities as well as to maintain peacefull law and order situation?

(b) If so, will the Government of Assam seriously consider to establish new Police Station at Tulsibil by upgrading the Police outpost presently functioning there?

*sub.* : **RCC Bridge over Champa river on Kachudola Kalipukhuri Road.**

Shri. NIRMAL KUMAR BRAHMA :

131. Will the Minister of PWD Department be pleased to state :

(a) The Champa River passing through the western side of Basugaon and Kachudola area is very important part of sidli constituency. For better communication whether the Government will take any steps for construction of RCC Bridge over the river ? If so, when ?

*বিষয় ঃ* **স্মাৰ্ট মিটাৰ প্ৰসঙ্গ**

শ্ৰীমতী নন্দিতা দাস ঃ

১৩২। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত স্মাৰ্ট মিটাৰ লগোৱাৰ বাবে কেন্দ্ৰৰ পৰা কি কি নিৰ্দেশনা আহিছে? বিতংকৈ জনাব আৰু সেই নিৰ্দেশনাৰ প্ৰতিলিপি সদনত দাখিল কৰিব।

(খ) স্মাৰ্ট মিটাৰ প্ৰথমে উদ্যোগ, কোম্পানী, চৰকাৰী কাৰ্য্যালয়ত সংস্থাপন কৰাৰ পিছতহে ঘৰুৱা উপভোক্তাৰ গৃহত সংস্থাপনৰ গাইডলাইন আছিল নেকি? যদি আছিল, তেনেহ'লে সেয়া কাৰ্য্যকৰী কৰা হৈছেনে?

(গ) অসমত এতিয়ালৈকে কিমান উপভোক্তাৰ গৃহ, বাণিজ্যিক প্ৰতিষ্ঠান, উদ্যোগ, চৰকাৰী কাৰ্য্যালয় আদিত স্মাৰ্ট মিটাৰ লগোৱা হ'ল? বিতং আৰু জিলাভিত্তিক তথ্য জনাব।

(ঘ) স্মাৰ্ট মিটাৰ সংস্থাপনৰ বাবে কোন কোন সংস্থাক কিমান টকাৰ ঠিকা দিয়া হৈছে, কোন সংস্থাক কিমান টকা মুকলি কৰি দিয়া হ'ল? তাৰ বিতং তথ্য জনাব।

*বিষয় ঃ* **পশু চিকিৎসকৰ সংখ্যা/আঁচনি**

শ্ৰীনিজানুৰ ৰহমান ঃ

১৩৩। মাননীয় পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান ধুবুৰী জিলাত কিমান জন পশু চিকিৎসক কৰ্মৰত হৈ আছে আৰু কিমান পদ খালী হৈ আছে? তথ্য সদনত দাখিল কৰিব।

(খ) ধুবুৰী জিলাত বৰ্তমান পশুপালন বিভাগত কি কি আঁচনিৰ কাম চলি আছে? তালিকা আৰু আঁচনিৰ নাম সদনত দাখিল কৰিব।

(গ) ধুবুৰী জিলাত পশু পালক সকলৰ কাৰণে অসম চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে? ইয়াৰ বিষয়ে সদনত অৱগত কৰিব।

*বিষয় ঃ* **ৰাজহুৱা আৰু বেচৰকাৰী খণ্ডৰ চাহ বাগিচা আৰু শ্ৰমিক।**

শ্ৰীৰেকিবুদ্দিন আহমেদ

১৩৪। মাননীয় চাহ জনজাতি আৰু আদিবাসী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত থকা ৰাজহুৱা আৰু বেচৰকাৰী খণ্ডৰ চাহ বাগিচা আৰু এই বাগিচাসমূহত কিমান শ্ৰমিক আছে জনাব। অসমৰ চাহ বাগিচা এলেকাৰ উন্নয়নৰ বাবে চৰকাৰে কি কি পদক্ষেপ লৈছে, কামৰ অগ্ৰগতিৰ বিষয়ে বিতংকৈ জনাব।

(খ) অসম চাহ নিগমৰ অধীনত থকা বাগিচাৰ নাম, লোকচানত থকা বাগিচাৰ নাম, কিমান বাগিচা কোনে কোনে লীজত লৈছে, বিভিন্ন শিতানত শ্ৰমিকে পাবলগীয়া ধনৰ বিৱৰণ দাখিল কৰিব।

(গ) অসমৰ চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ যি দাবী আছিল সেয়া আজিলৈকে কিয় পূৰণ কৰা নাই? এইক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে জনাব।

(ঘ) চাহ পৰ্য্যটনৰ বাবে বাগিচাসমূহক লৈ বৰ্তমানৰ চৰকাৰে কি কি ব্যৱস্থা লৈছে বিতংকৈ জনাব।

(ঙ) অসমত থকা ক্ষুদ্ৰ চাহ খেতিয়কৰ সংখ্যা, ক্ষুদ্ৰ চাহ খেতিয়কক চৰকাৰে কি কি প্ৰতিশ্ৰুতি দিছিল, এতিয়ালৈ কি কি প্ৰতিশ্ৰুতি পূৰণ কৰিলে আৰু কি কি পূৰণ নকৰিলে বিতংকৈ জনাব।

*বিষয় ঃ* **হজ ভৱন**

ড° ৰফিকুল ইছলাম ঃ

১৩৫। মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জালুকবাৰীত প্ৰায় একদশক পূৰ্বে হজ ভৱন নিৰ্মাণৰ কাম হাতত লোৱা হৈছিল। বৰ্তমান সেই হজ ভৱনটোৰ স্থিতি কি?

(খ) এই হজ ভৱনটো নিৰ্মাণত সৰ্বমুঠ কিমান টকা কোন কোন বিত্তীয় বৰ্ষত খৰচ কৰা হৈছিল আৰু সেই বছৰবোৰত এই বিভাগৰ মুঠ ধাৰ্য্যকৃত বাজেটৰ ধন কিমানকৈ আছিল?

(গ) হজ ভৱনটোত সমজিলা কাৰ্য্যালয়লৈ হস্তান্তৰ কৰাটো সত্য নে? যদি হয়, কি বিভাগীয় প্ৰক্ৰিয়াৰ মাজেৰে কৰা হৈছে, নথিসহ জনাব।

(ঘ) অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ হজ যাত্ৰী সকলৰ সুবিধাৰ্থে অতি কমেও ১০ বিঘা মাটি আবণ্টন দি এটি হজ ভৱন নিৰ্মাণৰ প্ৰস্তাব বিভাগে গ্ৰহণ কৰিবনে?

*বিষয় ঃ* **শ্ৰমিক সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

১৩৬। মাননীয় শ্ৰমিক কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত মুঠ কিমানজন পঞ্জীয়নভুক্ত শ্ৰমিক আছে? জিলা হিচাপে তথ্য দিব।

(খ) পঞ্জীয়নভুক্ত শ্ৰমিকসকলে কি কি সুবিধা লাভ কৰে? বিতং তথ্য দিব।

(গ) বৰ্তমান শ্ৰমিকসকলৰ বাবে কি কি আঁচনি ৰূপায়ণ হৈ আছে বিতংকৈ জনাব।

(ঘ) এই বিভাগত পুঁজিৰ অভাৱ হৈছে নেকি? বিভাগৰ হাতত বৰ্তমান কিমান পুঁজি জমা আছে?

*বিষয় ঃ* **পথ, দলং ইত্যাদি।**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

১৩৭। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) MMPPNA ৰ অধীনত নিৰ্মাণ হ'বলগীয়া ধিং-ৰূপহীহাট সংমণ্ডলৰ অন্তৰ্গত Bechamari-Baruati-Bordowa পথ নিৰ্মাণৰ কামৰ বাবে কোন কোন ঠিকাদাৰে নিবিদাত অংশগ্ৰহণ কৰিছিল আৰু কি যোগ্যতাৰ ভিত্তিত কাক আৱন্টন দিয়া হৈছে?

(খ) মুকুন্দআটিৰ পৰা বালুচৰ বজাৰ, আলিটাঙনীৰ পৰা হাতীযুঁজুৱা আৰু দগাঁৱৰ পৰা আলিটাঙনী পথৰ জৰাজীৰ্ণ অৱস্থাৰ কথা চৰকাৰৰ জ্ঞাত নে? যদি জ্ঞাত, এই কাম নকৰাৰ কাৰণ কি? এই ৰাস্তাকেইটা কেতিয়া মেৰামতি কৰিব?

*বিষয় ঃ* **বিদ্যুৎ সংযোগীকরন ও ট্রান্সফর্মার যোগান সম্পর্কে।**

শ্ৰীখলিল উদ্দিন মজুমদাৰ ঃ

১৩৮। মাননীয় শক্তি বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) কাটিগড়া সমষ্টির অন্তর্গত যে সব অঞ্চলে এখন পর্যন্ত বিদ্যুৎ সংযোগ করা হয়নি, সেইসব অঞ্চলে বিদ্যুৎ সংযোগ করার জন্য সরকার কি কোন পদক্ষেপ গ্রহণ করেছে?

(খ) কাটিগড়া সমষ্টিতে বেশিরভাগ এলাকায় প্রতিনিয়ত গ্রাহ করা বিদ্যুৎ লো ভল্টেজ সমস্যার শিকার, তাই পর্যপ্ত ট্রান্সফর্মার যোগান দিয়ে লো ভোল্টেজ সমস্যা দূর করার সরকারে কি কোন পরিকল্পনা রয়েছে? বিস্তারিত তথ্য তুলে ধরার অনুরোধ রইলো।

*বিষয় ঃ* **কাৰাবন্দী সকলৰ প্ৰয়োজনীয় সন্দৰ্ভত**

ডাঃ আছিফ মঃ নাজাৰ ঃ

১৩৯। মাননীয় গৃহ (কাৰাগাৰ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান কিমানটা কাৰাগাৰ আছে? এই কাৰাগাৰসমূহত কিমান কাৰাবন্দীক ৰাখিব পৰা ব্যৱস্থা আছে আৰু কিমান কাৰাবন্দী ২০২৫ ৰ ১ ফেব্ৰুৱাৰী পৰ্য্যন্ত আছে? কাৰাবন্দীসকলৰ বাবে প্ৰয়োজনীয় শৌচাগাৰ-স্নানাগাৰ আছেনে? যদি আছে, তেন্তে কিমান আছে আৰু নিৰ্ধাৰিত মান অনুসৰি কিমান কাৰাবন্দীৰ বিপৰীতে এটাকৈ স্নানাগাৰ বা শৌচাগাৰ থাকিব লাগে? (প্ৰতিটো কাৰাগাৰৰ সবিশেষ তথ্য প্ৰদান কৰিব)।

(খ) অসমত সক্ৰিয় হৈ থকা ডিটেনচন কেম্পৰ সংখ্যা কিমান? এই কেম্পসমূহত কিমান লোক বন্দী হৈ আছে? দুই বা ততোধিক বছৰ ধৰি কিমান লোক এই কেম্পসমূহত বন্দী হৈ আছে? এই কেম্পসমূহত থকা বন্দীসমূহৰ স্বাস্থ্য পৰীক্ষা তথা খাদ্য যোগানৰ ব্যৱস্থা কেনেধৰণৰ?

(গ) ইয়াৰ বাবদ ৰাজ্য চৰকাৰে প্ৰত্যেক বৰ্ষত কিমান টকা ব্যয় কৰিবলগীয়া হৈছে, সবিশেষ তথ্য প্ৰদান কৰিব।

*বিষয় ঃ* **পশু এম্বুলেন্স**

শ্ৰীআশ্ৰাফুল হুছেইন ঃ

১৪০। মাননীয় পশু পালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যত পশু এম্বুলেন্স সেৱা চলাই থকা হৈছে নেকি? যদি হয়, কোন কোন ঠাইত এনে সেৱা উপলব্ধ? কিদৰে এনে এম্বুলেন্সৰ সেৱা পাব পাৰি?

(খ) এই সেৱা পৰিচালনাৰ বাবদ চৰকাৰে বছৰত কিমান টকা খৰচ কৰি আছে? ইয়াত সেৱা দিয়াৰ বাবদ কোনো কেম্পানীৰ সৈতে চুক্তি কৰা হৈছিলনে? যদি হৈছিল, চুক্তিৰ প্ৰতিলিপি দিব।

(গ) বিগত এটা বছৰত কোনখন পশু এম্বুলেন্সে কিমানটা কেচ এটেন্ট কৰিছে? মাহ অনুযায়ী তথ্য দিব।

(ঘ) কোম্পানীৰ জৰিয়তে সেৱা পৰিচালনা নকৰি চৰকাৰে নিজাববীয়াকৈ সেৱা প্ৰদানৰ ব্যৱস্থাৰ প্ৰস্তাৱ বিভাগে গ্ৰহণ কৰিব নেকি?

(ঙ) চৰকাৰী নীতি অনুসৰি এখন এম্বুলেন্সত এজন পশু চিকিৎসক, এজন পশু চিকিৎসা ক্ষেত্ৰ সহায়ক আৰু এজন ড্ৰাইভাৰ থাকিব লাগে নেকি? কোম্পানীৰ পৰা হোৱা চুক্তিত সেয়া কি উল্লেখ আছে?

(চ) এই কামত নিয়োজিত চিকিৎসক আৰু ড্ৰাইভাৰক মাহত কি পৰিমাণে দৰমহা আদায় দিয়া হৈ আছে, জনাবনে?

*বিষয় ঃ* **গৃহৰক্ষী জোৱান নিযুক্তি**

শ্ৰীছামছুল হুদা ঃ

১৪১। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান অসমত কিমান গৃহৰক্ষী জোৱান কৰ্মৰত হৈ আছে? তেওঁলোকৰ মাহিলী মজুৰি কিমান? কোন আইনৰ অধীনত তেওঁলোকক মজুৰি প্ৰদান কৰা হয়? বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(খ) গৃহৰক্ষী জোৱান নিযুক্তিৰ ক্ষেত্ৰত কি কি অৰ্হতাৰ প্ৰয়োজন হয়?.

(গ) গৃহৰক্ষী জোৱানসকলক মাজে মাজে ৬ মাহ কৰ্মবিৰতি দিয়াটো সত্য নেকি?

(ঘ) যোৱা ১০ বছৰত গৃহৰক্ষী জোৱানৰ চাকৰি নিয়মীয়াকৰণ কৰা হ'লনে? গৃহৰক্ষী জোৱানৰ চাকৰি কিমান বছৰৰ পিছত নিয়মীয়াকৰণ কৰা হ'ব? অৱসৰৰ সময়ছোৱাত জোৱানসকলে কি কি সুবিধা লাভ কৰে জনাব।

*বিষয় ঃ* **অবৈধ ড্ৰাগছ ব্যৱসায় আৰু অপহৰণ কাণ্ড সংঘটিত হোৱা সম্পৰ্কে।**

শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ ঃ

১৪২। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সোণাৰি সমষ্টিৰ নামতোলা চাহ বাগিচা, মঞ্জুশ্ৰী চাহ বাগিচা, টাওকাক চাহ বাগিচা, জবকা চাহ বাগিচা আৰু সোণাৰী নগৰ অঞ্চলত ড্ৰাগছ সেৱনকাৰী সাংঘাটিক ধৰণে বৃদ্ধি পাইছে আৰু এই অসামাজিক কাৰ্য্যকলাপ আৰু অপহৰণৰ ঘটনা সংঘটিত হোৱাৰ বিষয়ে গৃহ বিভাগ অৱগতনে?

(খ) যদি অৱগত, এই সমস্যাসমূহৰ এক স্থায়ী সমাধানৰ কোনো ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? এইবিষয়ে সবিশেষ জনাব।

*বিষয় ঃ* **বরাক নদীর উপর গ্যামন সেতু সম্পর্কিত**

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

১৪৩। মাননীয় লোক নির্মাণ বিভাগের মন্ত্রী মহাশয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) বরাক নদীৰ উপর গ্যামন সেতুটি কবে নির্মান হয়েছিল? এই সেতুটির বর্তমান দুরবস্থা সম্পর্কে সরকার কি অৱগত? যদিও ভারি যান-বাহন চলাচলের ক্ষেত্রে সরকার কিছু নিষেধাজ্ঞা জারি করিয়াছেন তবুও ভারি যান-বাহন চলাচল করে এবং দুর্ঘটনার সম্ভাৱনা থাকে।

(খ) ২০০১ সাল হইতে আসামে পি ডাব্লু ডি (বিল্ডিং) বিভাগের দ্বারা ৫ (পাঁচ) কোটি বা তার অধিক মূল্যের কি কি প্রকল্পের কাজ হইয়াছে তাহার জিলা, বছর এবং প্রকল্পের নাম, মঞ্জুরীকৃত অর্থের পরিমানসহ তালিকা সদনে প্রকাশের অনুরোধ জানাই।

(গ) কাঠিগড়া সমষ্টিতে একটি মিনি ষ্টেডিয়াম ও একটি অডিটোরিয়াম নির্মানের প্রস্তাৱ সরকারের নিকট পাঠানো হইয়াছিল, এই প্রকল্প কবে নাগাদ সরকার মঞ্জুর করিবেন তাহার তথ্য সদনে প্রকাশের অনরোধ জানাই।

(ঘ) কাঠিগড়া সমষ্টির অন্তর্গত PWD বিভাগের যে কয়টি আই বি আছে, তাহাদের সংস্কার ও উন্নতিকরণের সরকারের কোন প্রয়াস আছে কি? যদি থাকে, তবে তাহার তথ্য সদনে প্রকাশের অনুরোধ জানাই।

*বিষয় ঃ* **আঁচনি সম্পৰ্কে**

শ্ৰীতেৰছ গোৱালা ঃ

১৪৪। মাননীয় চাহ জনজাতি আৰু আদিবাসী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ চাহ জনজাতি আৰু আদিবাসীৰ সংজ্ঞা আৰু পাৰ্থক্য কি? সবিশেষ জনাব।

(খ) চাহ জনজাতি আৰু আদিবাসীৰ অন্তৰ্ভুক্ত জাতি-গোষ্ঠী আৰু সম্প্ৰদায়সমূহৰ নাম পৃথকে পৃথকে জনাব।

(গ) চাহ জনজাতি আৰু আদিবাসী লোকসকলৰ কল্যাণৰ বাবে কি কি জনকল্যাণমূলক আঁচনি গ্ৰহণ কৰিছে? আঁচনিৰ বাবে চলিত বৰ্ষত কিমান টকা বাজেটত পুঁজি আবণ্টন আছিল আৰু কিমান টকা কি কি আঁচনিত খৰচ কৰা হ'ল? আঁচনি ভিত্তিক বিস্তাৰিত ভাৱে জনাব।

(ঘ) বিভাগে ৰূপায়ণ কৰা শ্বহীদ দয়াল দাস পানিকা স্ব-নিয়োজন আঁচনিৰ অধীনত চাহ জনজাতিৰ শিক্ষিত নিবনুৱাক ২৫ হাজাৰ টকা আৰ্থিক সাহাৰ্য্যৰে কিমান নিবনুৱা আৰ্থিকভাৱে আত্মনিৰ্ভৰশীল হ'ল? তথ্য সহকাৰে জনাব।

*Sub.* : **Allocation of Funds under CMGSY.**

Shri ABDUR RASHID MANDAL :

145. Will the Minister of Public Works Roads Department be pleased to state:

Is it true that Rs. 12.00 Crore is allocated per LAC of Goalpara District for construction/repair of roads under SOPD & CMGSY ? As the allocated fund per LAC is inadequate, will Govt. allocate additional funds for construction/repair of the following roads in Goalpara district ?

(a) Road from Madhya Simulbari to Silapani via Paschim Simulbari = Approx 3.00 KM.

(b) Road from NH at Bolbola to Fofonga Part-I via Khagrabari = Approx 3.00KM.

(c) Road from Garomari Bazar to Chesapani Daily Bazar = Approx 4.00 KM.

(d) Road from Khalisamari Tiniali to Khagrabari = Approx 2.00 KM.

(e) Road from Padupara Bazar to Chaplai Dhanbori Road = Approx 3.00 KM.

(f) Road from Noropati Garo Sisa to Dhaigaon + Approx 2.00 KM.

(g) Road from Jibranga PWD road to Salbari Bazar via Alopatipara = Approx 2.00KM.

(h) Road from Simlitola Bazar to Bherbheri via Duhapara = Approx 4.00 KM.

(i) Road from Uttar Kankata Tiniali to Kankata Ziaguri PWD road via Santipur Bazar = Approx 3.00 KM.

(j) Road from Pandoba Rabhapara to Hatisila via Chatabari = Approx 7.00 KM.

(k) Bahati Bhatipara Road = Approx 2.00 KM.

*বিষয়* ঃ **MMPPNA (মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনি) আৰু MMPNA (মুখ্যমন্ত্ৰীৰ পথ নৱীকৰণ আঁচনি) সম্পৰ্কে।**

শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

১৪৬। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলেশ্বৰ সমষ্টিত কিমান কিলোমিটাৰ পথ MMPPNA (মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনি)ত নিৰ্মাণ কৰিবলৈ লোৱা হৈছে আৰু তাৰে কিমান কিলোমিটাৰ পথৰ কাম সম্পূৰ্ণ হ'ল?

(খ) জলেশ্বৰ সমষ্টিত MMPNA (মুখ্যমন্ত্ৰীৰ পথ নৱীকৰণ আঁচনি)ৰ অধীনত লোৱা পথবোৰ আজিলৈকে শুভাৰম্ভ হোৱা নাই কিয়? যোৱা বিধান সভা অধিৱেশনত কোৱা ধৰণে আজিলৈকে কিয় ৰূপায়ণ হোৱা নাই ?

(গ) এই বছৰত প্ৰচুৰ পৰিমাণে বৰষুণ হোৱাৰ ফলত মেঘালয়ৰ পৰা অহা ধলৰ পানী

(Flash Flood) আহি জলেশ্বৰ সমষ্টিৰ বহুতো ৰাস্তা, ঘাট, দলং আদিৰ ভাঙি-চিঙি বিস্তৰ ক্ষতিসাধন কৰিছে ফলত ৰাইজৰ যাতায়তৰ অসুবিধাৰ সৃষ্টি হৈছে। সেইবোৰ মেৰামতি কৰিবলৈ চৰকাৰে কোনো ব্যৱস্থা হাতত লৈছেনে? যদি লৈছে, তাৎক্ষণিকভাৱে মেৰামতি কৰিবনে?

*বিষয় ঃ* **In Missing Link/Bridge Gaps আঁচনি।**

হাফিজ বছিৰ আহমেদ ঃ

১৪৭।মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

বিগত ২২-০৮-২০২৪ ইং তাৰিখৰ তৰা বিহীন প্ৰশ্ন (১৬ নং)ৰ উত্তৰত টিপকাই নৈৰ ওপৰত দলংখন ARRBP/ASBIP ৰ অধীনত 2 Lane RCC দলং in missing Link/ Bridge Gaps আঁচনিত বিবেচনাধীন হৈ থকা বুলি জনোৱা হৈছিল। উক্ত দলংখনৰ গুৰুত্ব উপলব্ধি কৰি সেই অঞ্চলৰ জনসাধাৰণৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে কেতিয়ালৈকে কিধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে? (বিস্তাৰিত তথ্য সদনৰ মেজত দাখিল কৰিব)।

*বিষয় ঃ* **Over Load ট্ৰাক**

শ্ৰীযাদৱ স্বৰ্গীয়াৰী ঃ

১৪৮। মাননীয় লোক নিৰ্মাণ (পথ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) PMGY আৰু গ্ৰাম্য পকী পথৰ বহন ক্ষমতা কিমান? সবিশেষ জনাব।

(খ) দুধনৈ সমষ্টিৰ প্ৰায় এখনকৈ বেছি PMGY গ্ৰাম্য পকীপথ সমূহ ট্ৰাকৰ Over Loadৰ কাৰণে জৰাজীৰ্ণ অৱস্থা হৈ গৈছে। এইবিষয়ে চৰকাৰ জ্ঞাতনে? যদি জ্ঞাত, এই ট্ৰাকসমূহৰ বিৰুদ্ধে জৰিমণাৰ ব্যৱস্থা আছে নেকি? সবিশেষ জনাব।

*বিষয় ঃ* **প্ৰধান মন্ত্ৰীৰ গ্ৰাম সড়ক আঁচনি (PMGSY) সম্পৰ্কে।**

শ্ৰীআব্দুল বাতিন খন্দকাৰ ঃ

১৪৯। মাননীয় লোক নিৰ্মাণ (পথ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান সংখ্যক গাঁও ৫০০+ জনসংখ্যা থকা) এতিয়াও পি এম জি এছ ৱাই (PMGSY) ৰ অধীনত বা অইন কোনো আঁচনিৰ অধীনত পকী ৰাস্তাৰে সংযোগ হোৱা নাই, জিলা ভিত্তিক তথ্য দিব।

(খ) PMGSY-IVৰ অধীনত অগ্ৰাধিকাৰ তালিকা (Priority List) প্ৰস্তুত কৰা হৈছে নেকি? যদি হৈছে, অগ্ৰাধিকাৰ তালিকা সদনত দাখিল কৰিব। যদি হোৱা নাই, কেতিয়ালৈকে অগ্ৰাধিকাৰ তালিকা প্ৰস্তুত হ'ব?

*বিষয় ঃ* **উৰণীয়া সেঁতু নিৰ্মাণ**

শ্ৰীকৰিম উদ্দিন বৰভূঞা ঃ

১৫০। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

শিলচৰত উৰণীয়া সেঁতু নিৰ্মাণৰ বাবে কোন কোন ঠাইক চিহ্নিত কৰা হৈছে? চিহ্নিত কৰা ঠাইসমূহত কেতিয়ালৈকে কাম আৰম্ভ কৰিব? (চিহ্নিত কৰা ঠাইসমূহৰ বিস্তাৰিত তথ্য সদনত দিব)।

---

Assam Government press 33/25-LAQ-550-25-02-2025